গোট-২

# দুৰ্যোগ ব্যৱস্থাপনা ঃ দায়িত্ব আৰু সাৱধানতা

এয়া সৰ্বজনবিদিত যে প্ৰকৃতিৰ লগত মানৱ সমাজৰ এক অতি নিবিড় সম্পৰ্ক আছে। পিছে এই সম্পৰ্ক যে সদায় মধুৰ হৈ থাকে এনে নহয়। মানুহ আৰু প্ৰকৃতিৰ এই যুগমীয়া সম্পৰ্কত সময়ে সময়ে ছেদ পৰে। ইয়াৰ প্ৰধান কাৰণ দুটা। প্ৰথম কাৰণ হ'ল, বিনন্দীয়া প্ৰকৃতিক অপৰিকল্পিতভাৱে ধ্বংস কৰি নিজৰ সুখ-সমৃদ্ধি বৃদ্ধি কৰাৰ বাবে মানুহৰ অদম্য হেঁপাহ আৰু আপোনপেটীয়া স্বভাৱ। দ্বিতীয় কাৰণ হ'ল, প্ৰকৃতিৰ বুকুত ঘটি থকা বিভিন্ন পৰিঘটনা আৰু কাৰকৰ বাবে দেখা দিয়া দুৰ্যোগসমূহ। দুৰ্যোগ বা দুৰ্ঘটনাই সময়ে সময়ে মানুহৰ জীৱন আৰু সা-সম্পত্তি ধ্বংস কৰি আহিছে। ভয়ংকৰ দুৰ্যোগ একোটাই কোনো কোনো নগৰ বা অঞ্চল সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলোৱাৰ অনেক উদাহৰণ বিশ্ব ইতিহাসত পোৱা যায়। তথাপি বিশ্বৰ প্ৰতিজন মানুহ সচেতন আৰু সাৱধান হ'লে দুৰ্যোগৰ পৰা কিছু হ'লেও হাত সাৰিব পাৰে আৰু ক্ষয়-ক্ষতিৰ পৰিমাণো হ্ৰাস হ'ব পাৰে।

সম্প্ৰতি দুৰ্যোগ নিয়ন্ত্ৰণ আৰু তাৰপৰা হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ কমোৱাৰ উদ্দেশ্যে 'দুৰ্যোগ ব্যৱস্থাপনা' বুলি এটা বিভাগ স্থাপন কৰা হৈছে। দুৰ্যোগ প্ৰধানতঃ দুই প্ৰকাৰৰ— (১) প্ৰাকৃতিক দুৰ্যোগ (Natural Disaster) আৰু (২) মানৱসৃষ্ট দুৰ্যোগ (Man-made Disaster)।

(১) **প্ৰাকৃতিক দুৰ্যোগ ঃ** প্ৰকৃতিৰ বুকুত অহৰহ ঘটি থকা বিভিন্ন পৰিঘটনা আৰু কাৰকৰ বাবে হঠাতে সৃষ্টি হোৱা যিবোৰ দুৰ্যোগে জীৱন আৰু সম্পত্তিৰ বহুল পৰিমাণে ধ্বংসৰ সৃষ্টি কৰি জনজীৱনলৈ বিপৰ্যয় কঢ়িয়াই আনে তাকে প্ৰাকৃতিক দুৰ্যোগ বুলিব পাৰি। ভূমিকম্প, বানপানী, ঘূৰ্ণীবতাহ, ভূমিস্খলন, আগ্নেয়গিৰিৰ উদ্‌গীৰণ, খৰাং বা অনাবৃষ্টি, অতিবৃষ্টি, বনজুই, শিলাবৃষ্টি, হিমস্খলন, ছুনামি আদিয়েই হ'ল প্ৰধান প্ৰাকৃতিক দুৰ্যোগ। প্ৰাকৃতিক দুৰ্যোগে যুগে যুগে মানুহ আৰু অন্যান্য জীৱকুলক আক্ৰান্ত কৰি আহিছে। হৰপ্পা-মহেঞ্জোদাৰোৰ দৰে প্ৰাচীন মানৱ সভ্যতা প্ৰাকৃতিক দুৰ্যোগৰ বাবে ধ্বংসপ্ৰাপ্ত



অৰুণাচল প্ৰদেশৰ টাৱাঙৰ ভূমিস্খলনৰ দৃশ্য

হোৱা বুলি বহুতেই ক'ব খোজে। খ্ৰীঃ পূঃ ৭৯ চনত বিছুভিয়াছ আগ্নেয়গিৰিয়ে ধ্বংস কৰিছিল মনোৰম পম্পিয়াই নগৰ। কিছুবছৰ আগতে ভয়াবহ ছুনামিয়ে কিদৰে জাপান, থাইলেণ্ড, ইণ্ডোনেছিয়া আৰু ভাৰতবৰ্ষকে ধৰি মুঠ ১৮ খন দেশৰ উপকূল ভাগত ধ্বংসলীলাৰ সৃষ্টি কৰিছিল তাৰ দুৰূহ স্মৃতিয়ে এতিয়াও আমাক আতংকিত কৰে।

**(২) মানৱসৃষ্ট দুৰ্যোগ ঃ** ঔদ্যোগিক দুৰ্ঘটনা, বিমান আৰু ৰে'ল দুৰ্ঘটনা, সন্ত্ৰাসবাদী আক্ৰমণ, সাম্প্ৰদায়িক সংঘৰ্ষ, মহামাৰী, অগ্নিকাণ্ড আদিয়েই হ'ল প্ৰধান মানৱসৃষ্ট দুৰ্যোগ। ভূপালৰ ইউনিয়ন কাৰ্বাইড (Union Carbide) নামৰ উদ্যোগটোত হোৱা দুৰ্ঘটনা, চাৰ্নবিল পাৰমাণবিক ৰিয়েক্টৰ দুৰ্ঘটনা, নিউয়ৰ্ক, লণ্ডন, পেৰিছ আৰু ভাৰতবৰ্ষৰ মোম্বাই, দিল্লী আৰু গুৱাহাটীকে ধৰি কেইবাখনো চহৰত ঘটা বৃহৎ সন্ত্ৰাসবাদী আক্ৰমণ আদিয়ে মানৱসৃষ্ট দুৰ্যোগৰ ভয়াৱহ ছবি প্ৰকট কৰি তুলে। সাধাৰণতে একোটা দুৰ্যোগে তলত দিয়া ধৰণে বিৰূপ প্ৰভাৱ বিস্তাৰ কৰে—

- স্বাভাৱিক আৰু দৈনন্দিন জীৱনত সম্পূৰ্ণভাৱে ব্যাঘাত জন্মায়।
- জৰুৰীকালীন সেৱাসমূহত নেতিবাচক প্ৰভাৱ পেলায়।



- মানুহৰ খাদ্য, আশ্ৰয়, স্বাস্থ্য, যাতায়াত আৰু যোগাযোগ ব্যৱস্থাত ব্যাঘাত জন্মায় আৰু নাটনিৰ সৃষ্টি কৰে।

আনহাতে নিম্নোল্লিখিত আচহুৱা বৈশিষ্ট্যবোৰৰ বাবে দুৰ্যোগ একোটাই মাৰাত্মক ৰূপ লয় ঃ

- পূৰ্বানুমান বা আগজাননীৰ অভাৱ (Unpredictability)
- আচহুৱা (Unfamiliar)
- বেগ আৰু ক্ষিপ্ৰতা (Speed)
- জৰুৰীকালীন (Urgency)
- অনিশ্চিত (Uncertainty)
- জীৱন আৰু সম্পত্তিৰ বিস্তৰ ক্ষতি (Huge loss of life and property)



২০১৫-ৰ নৱেম্বৰত সংঘটিত ফাঁচী বজাৰ, গুৱাহাটীৰ অগ্নিকাণ্ড

আশীৰ দশকৰপৰা আজিলৈকে ভাৰতবৰ্ষত সংঘটিত ভয়াৱহ দুৰ্যোগসমূহৰ এখন তালিকা উল্লেখ কৰা হ'ল ঃ

## ভাৰতবৰ্ষৰ ভয়াৱহ দুৰ্যোগসমূহ ঃ

| | দুৰ্যোগ | স্থান | সময় |
|---|---|---|---|
| ১. | ভূপাল গেছ দুৰ্যোগ | মধ্যপ্ৰদেশ | ডিচেম্বৰ, ১৯৮৪ |
| ২. | উত্তৰ কাশী ভূমিকম্প | উত্তৰাঞ্চল | অক্টোবৰ, ১৯৯১ |
| ৩. | লাটুৰ ভূমিকম্প | মহাৰাষ্ট্ৰ | ছেপ্টেম্বৰ, ১৯৯৩ |
| ৪. | ছুপাৰ চাইক্লন | উৰিষ্যা | অক্টোবৰ, ১৯৯৯ |
| ৫. | ভুজ ভূমিকম্প | গুজৰাট | জানুৱাৰী, ২০০১ |
| ৬. | কোশ্বী বানপানী | বিহাৰ | আগষ্ট, ২০০৪ |
| ৭. | ছুনামি | কেৰেলা, তামিলনাডু, পণ্ডিচেৰী, অন্ধ্ৰপ্ৰদেশ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ | ডিচেম্বৰ, ২০০৪ |
| ৮. | ভূমিকম্প | জম্মু আৰু কাশ্মীৰ | অক্টোবৰ, ২০০৫ |
| ৯. | বানপানী | বিহাৰ | আগষ্ট, ২০০৮ |
| ১০. | গুৱাহাটী ছিৰিয়েল ব্লাষ্ট | অসম | অক্টোবৰ, ২০০৮ |
| ১১. | মুম্বাই ছিৰিয়েল ব্লাষ্ট | মহাৰাষ্ট্ৰ | নৱেম্বৰ, ২০০৮ |
| ১২. | চাইক্লন আইলা | পশ্চিমবংগ | মে’, ২০০৯ |
| ১৩. | বানপানী | অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক | অক্টোবৰ, ২০০৯ |
| ১৪. | বানপানী আৰু ভূমিস্খলন | উত্তৰাখণ্ড | জুন, ২০১৩ |
| ১৫. | বানপানী | কাশ্মীৰ | ছেপ্টেম্বৰ, ২০১৪ |


উৰিষ্যাৰ গোপালপুৰৰ সাগৰীয় ধুমুহা



## ভাৰতবৰ্ষত খনি দুৰ্ঘটনা ঃ

ভাৰতবৰ্ষত বহুতো খনি আছে। এই খনিসমূহতো বিভিন্ন সময়ত অকস্মাতে কিছুমান অনাকাংক্ষিত দুৰ্যোগ সংঘটিত হৈছে। তেনে কেইটামান উল্লেখযোগ্য দুৰ্ঘটনা আৰু ইয়াৰ কাৰণৰ এখন তালিকা উল্লেখ কৰা হ’ল।

| তাৰিখ | খনি | মৃত্যুৰ সংখ্যা | কাৰণ |
|---|---|---|---|
| মাৰ্চ, ১৯৭৩ | নুনীদিহ | ৪৮ | বিস্ফোৰণ |
| আগষ্ট, ১৯৭৫ | কেচুৰগড় | ১১ | মূধচ খহি |
| ডিচেম্বৰ, ১৯৭৫ | চাসনালা | ৩৭৫ | প্লাৱিত হৈ |
| অক্টোবৰ, ১৯৭৬ | চুদামদিহ শ্বাফ্ট | ৪৩ | বিস্ফোৰণ |
| তাৰিখ | খনি | মৃত্যুৰ সংখ্যা | কাৰণ |
| জানুৱাৰী, ১৯৭৯ | বৰাগোলাই | ১৬ | বিস্ফোৰণ |
| জুন, ১৯৮১ | জগন্নাথ | ১০ | অগ্নিকাণ্ড |
| জুলাই, ১৯৮২ | টোপা | ১৬ | মূধচ খহি |
| নৱেম্বৰ, ১৯৯৩ | টিপং | ৯ | বিস্ফোৰণ |
| জানুৱাৰী, ১৯৭৪ | নিউ কেন্দা | ৫৫ | অগ্নিকাণ্ড |
| ছেপ্টেম্বৰ, ১৯৯৫ | গেচলীটেন্দ | ৬৪ | প্লাৱিত হৈ |

## দুৰ্যোগ ব্যৱস্থাপনা ঃ

দুৰ্যোগ একোটাই আমাৰ জীৱনলৈ অভাৱনীয় দুখ-কষ্ট কঢ়িয়াই আনে যদিও তাৰ বাবে কেৱল ভাগ্যকে ধিয়াই বহি থকাৰ কোনো যুক্তি নাই। বিশ্বৰ সকলো দেশেই দুৰ্যোগ প্ৰশমণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। বিশ্বৰ অত্যধিক ভূমিকম্পপীড়িত দেশৰ ভিতৰত জাপান অন্যতম। কিন্তু এনে প্ৰাকৃতিক দুৰ্যোগকো নেওচি জাপান আজি বিশ্বৰ অন্যতম আগবঢ়া দেশ। তাৰ বাবে নাগৰিকৰ সচেতনতা আৰু দায়িত্ববোধৰ প্ৰয়োজন। প্ৰকৃতিক দুৰ্যোগসমূহ আমি একেবাৰে ৰোধ কৰিব নোৱাৰো যদিও, তেনে পৰিস্থিতিৰ প্ৰতি প্ৰতিজন নাগৰিকৰ থাকিবলগীয়া সচেতনতাই দুৰ্যোগ প্ৰশমণত বিশেষ সুফল দিয়ে। আনহাতে আমাৰ দায়িত্ববোধ আৰু কৰ্তব্যই মানৱসৃষ্ট দুৰ্যোগসমূহ বহু পৰিমাণে ৰোধ কৰিব পাৰে। দুৰ্যোগ ব্যৱস্থাপনা তিনিটা স্তৰত ভাগ কৰিব পাৰি ঃ

(১) দুৰ্যোগৰ পূৰ্বে (সাৱধানতা, জনসচেতনতা, পূৰ্বানুমান, প্ৰস্তুতি ইত্যাদি)

(২) দুৰ্যোগৰ সময়ত (দুৰ্যোগৰ প্ৰকাৰভেদে বিশেষ ব্যৱস্থা, উদ্ধাৰ কাৰ্য ইত্যাদি)

(৩) দুৰ্যোগৰ পিছত (সাহায্য আৰু পুনঃসংস্থাপন, স্বাস্থ্যসেৱা, ৰাস্তাঘাট, যোগাযোগ আদিৰ পুনৰ্নিৰ্মাণ)

**দুৰ্যোগ ব্যৱস্থাপনাত (Disaster Management) ছাত্ৰ-ছাত্ৰীৰ ভূমিকাঃ**

ছাত্ৰ-ছাত্ৰীসকল সমাজৰ অবিচ্ছেদ্য আৰু অতি সংবেদনশীল অংগ। আজিৰ ছাত্ৰ-ছাত্ৰী কাইলৈ দেশৰ নাগৰিক। সেয়ে দুৰ্যোগ ব্যৱস্থাপনাত ছাত্ৰ-ছাত্ৰীয়েও বিশেষ ভূমিকা ল'ব পাৰে। যথা —




(১) স্কুল-কলেজত বা অন্যান্য সামাজিক অনুষ্ঠানত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে যিবোৰ দিহা-পৰামৰ্শ দিয়া হয় সেইবোৰ ঘৰৰ জ্যেষ্ঠজনৰ লগত আলোচনা কৰিব লাগে আৰু সাৱধানতাসমূহ নিজে আগভাগ লৈ পালন কৰিব লাগে। লগতে দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰস্তুত হৈ থাকিব লাগে।



(২) প্ৰাকৃতিক দুৰ্যোগসমূহৰ ভিতৰত আটাইতকৈ ভয়াৱহ হ'ল ভূমিকম্প। কাৰণ ইয়াৰ আগজাননী পোৱা অতি দুৰূহ আৰু অতি ক্ষিপ্ৰগতিত মুহূৰ্তৰ ভিতৰত ঘটিব পাৰে। ভূমিকম্পৰ সময়ত আতংকগ্ৰস্ত হ'ব নালাগে আৰু বিশেষজ্ঞই দিয়া পৰামৰ্শসমূহ মানি চলিব লাগে।

(৩) ভূমিকম্প হ'লে দুৱাৰৰ চৌকাঠ, ঘৰৰ চুক, মজবুত টেবুল বা বিছনাৰ তলত বা মুকলি ঠাইত আশ্ৰয় ল'ব লাগে।

(৪) কেতিয়াও বিজুলীৰ তাঁৰৰ তলত, ওখ গছৰ তল, পানীৰ টেংকি, আইনা লগোৱা খিৰিকী বা বাকচ, পাকঘৰ, গা-ধোৱা ঘৰত আশ্ৰয় ল'ব নালাগে।

(৫) শোৱা, বহা বা পঢ়া কোঠাত সহজে বাগৰি পৰা বয়-বস্তু, আলমাৰি, ৰেক আদি মজবুতকৈ ৰখাৰ ব্যৱস্থা কৰিব লাগে।

(৬) সহজতে ঢুকি পোৱা অৱস্থাত ঘৰৰ মূল প্ৰৱেশদ্বাৰৰ ওচৰত এটা বেগত পানী, খোৱাবস্তু, প্ৰাথমিক সাহায্য, এটা হুইছেল, টৰ্চ লাইট আদি ৰাখি থ'ব লাগে যাতে জৰুৰীভাৱে ব্যৱহাৰ কৰিব পাৰি।

(৭) অগ্নি নিৰ্বাপক বাহিনী, জিলা প্ৰশাসন, অসামৰিক প্ৰতিৰক্ষা আদিৰ ফোন নম্বৰবোৰ হাতৰ ওচৰত বা ম'বাইল ফোনত সংৰক্ষণ কৰি থ'ব লাগে। আজিকালি 'ডাইল-১০০'কৈ ধৰি তেনেধৰণৰ নম্বৰ প্ৰশাসনৰ ফালৰ পৰা দিয়া হয়।

(৮) বানপানী হোৱা অঞ্চলত সতৰ্কতামূলক ব্যৱস্থাসমূহ, যেনে— খাদ্যবস্তু, প্ৰাথমিক চিকিৎসা, টৰ্চ, খোৱাপানী আদি মজুত কৰি থ'ব লাগে। কলগছৰ ভূৰ আদি আগৰ পৰাই সাজু কৰি থ'ব পাৰি।

(৯) ৰেডিঅ' দূৰদৰ্শন আদি নিয়াৰিকৈ শুনি থাকিলে বানপানী, ধুমুহা, শিলাবৃষ্টি, ছুনামী আদিৰ আগতীয়া খবৰ পাব পাৰি।

(১০) এই ক্ষেত্ৰত স্থানীয় প্ৰশাসনে জাৰি কৰা নিষেধাজ্ঞাসমূহ মানি চলিব লাগে।



বানপানীত কলগছৰ ভূৰৰ ব্যৱহাৰ

(১১) জুয়ে পোৰা, সৰ্পদংশন, মৌ-মাখিৰ দংশন, গ্ৰীষ্ম-দাহ (Heat stroke), বিদ্যুৎ প্ৰবাহ, বিহপান, কুকুৰে কামোৰা, ৰক্তক্ষৰণ আদি হ'লে কি কি প্ৰাথমিক সতৰ্কতা ল'ব লাগে সেই বিষয়ে দৈনিক বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমত (Electronic Media) প্ৰচুৰ আলোচনা হয়। সেইবোৰ মনোযোগেৰে শুনি দুই-এটা জৰুৰী কথা নোটবুকত টুকি ৰাখিব লাগে আৰু প্ৰয়োজন সাপেক্ষে ব্যৱস্থা ল'ব লাগে।

জনসাধাৰণৰ উপকাৰৰ বাবে আৰক্ষীৰ দৰে বিভিন্ন বিভাগৰ ট'ল ফ্ৰী নম্বৰ থাকে। আমাৰ ৰাজ্যৰ বাবে, বিশেষকৈ গুৱাহাটীৰ বাবে আৰক্ষীৰ ট'ল ফ্ৰী নম্বৰটো হ'ল '100'। তেনেদৰে সকলো ৰাজ্যতে চৰকাৰে সময়ে সময়ে বিভিন্ন দুৰ্যোগৰ সময়ত জনসাধাৰণৰ বাবে অন্য ট'ল ফ্ৰী নম্বৰ মুকলি কৰি দিয়ে। সেয়ে বাটে ঘাটে দুৰ্যোগ ঘটাব পৰা কিবা বিসংগতি চকুত পৰিলে ততালিকে সংশ্লিষ্ট বিভাগক জনালে ৰাইজৰ বহুতো উপকাৰ হয়। ছাত্ৰ-ছাত্ৰীসকলেও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। সম্ভাব্য দুৰ্যোগৰ আশংকা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়েও ট'ল ফ্ৰী নম্বৰত সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰাব পাৰে। তেনেদৰে—



(১) পথ দুৰ্ঘটনাৰ ক্ষেত্ৰত আৰক্ষী বিভাগ বা ১০৮ এম্বুলেঞ্চ সেৱাক অৱগত কৰাব পাৰে।

(২) অভিভাৱকহীন বস্তু, পেকেট, বেগ আদি দেখিলে আৰক্ষী বিভাগক 'ডায়েল' কৰিব পাৰে।

(৩) বিপদসংকুলভাৱে ওলমি থকা বিজুলীৰ তাঁৰ, বিদ্যুতৰ খুঁটা, ট্ৰেন্সফৰ্মাৰ আদিৰ পৰা জুইৰ ফিৰিঙতি ওলোৱা দেখিলে বিজুলী বিভাগক অৱগত কৰাব পাৰে।

(৪) পদপথৰ ঢাকনীবিহীন অংশ (Manhole), বিপজ্জনকভাৱে ওলমি থকা গছ, আট্টালিকাৰ অংশ আদিৰ ক্ষেত্ৰত পৌৰ সভা বা পৌৰ নিগমক জনাব লাগে।

(৫) ৰে'ল লাইনৰ বিজুতি দেখা দিলে ৰে'ল বিভাগক জনাব লাগে।

(৬) ৰে'ল ভ্ৰমণত বিপদত পৰিলে জি.আৰ.পি ট'ল ফ্ৰী নম্বৰত ডায়েল কৰিব পাৰে।

**উদ্ধাৰ আৰু সন্ধান কাৰ্যত কৰিবলগীয়া ঃ**

- উদ্ধাৰকাৰীসকল শান্ত আৰু দৃঢ় হৈ থকা উচিত।
- উদ্ধাৰৰ আগে আগে বিতংভাৱে তালাচী (thorough assessment) কৰিব লাগে।
- ধ্বংসপ্ৰাপ্ত স্থানৰ পৰা সাৱধানে দূৰত থকা উচিত।
- ক্ষয়-ক্ষতিৰ প্ৰকৃত পৰীক্ষা কৰিব লাগে।
- প্ৰাথমিক চিকিৎসা (First Aid)ৰ ব্যৱস্থা সাজু কৰি থ'ব লাগে।
- আঘাতপ্ৰাপ্ত লোকক প্ৰথমে সহায় কৰা উচিত।
- দুৰ্ঘটনাগ্ৰস্ত লোকক সাৱধানেৰে কম্বল বা তিৰ্পালেৰে ঢাকি আনিব লাগে যাতে পুনৰ আঘাতপ্ৰাপ্ত নহয়।
- দুৰ্ঘটনাগ্ৰস্ত লোকৰ উদ্ধাৰৰ সময়ত ব্যৱহৃত চোকা সঁজুলিবোৰ সাৱধানেৰে ব্যৱহাৰ কৰিব লাগে।
- দুৰ্গতজনৰ গাৰ কাপোৰ-কানিবোৰ ঢিলা কৰি তেওঁক আৰামদায়ক ঠাইত ৰাখিব লাগে।

- প্রয়োজন হ'লে কৃত্রিমভাৱে শ্বাস-প্রশ্বাস দিব লাগে আৰু ৰক্তক্ষৰণ বন্ধ বা নিয়ন্ত্রণ কৰিব লাগে।

**দুৰ্যোগৰ সময়ত কি কি কৰিব নালাগে ঃ**

- সন্ত্রস্ত বা বিতত হ'ব নালাগে।
- সমুচিত তথ্য-পাতিৰে আৰু সা-সৰঞ্জামেৰে সুসজ্জিত নোহোৱালৈকে উদ্ধাৰ কাৰ্য আৰম্ভ কৰিব নালাগে।
- ধ্বংসাৱশেষৰ পৰা কাঠ-বাঁহ আদি যেনি-তেনি টানি আনিব নালাগে, আকৌ ভাঙি পৰিব পাৰে।
- দুৰ্ঘটনাগ্রস্ত লোকক আসন্ন বিপদৰ পৰা ৰক্ষা কৰিবলৈ অসাৱধানেৰে ঘূৰি ফুৰিব নালাগে।
- ধ্বংসাৱশেষ বা আৱৰ্জনাৰ ওপৰেৰে জৰুৰী নহ'লে বগাই যাব নালাগে।
- বিদ্যুৎ প্রবাহ চলি থকা বিদ্যুতৰ তাঁৰ স্পৰ্শ কৰিব নালাগে।
- উদ্ধাৰকাৰীসকলে সুৰক্ষা বিধি (Safety Measures) বোৰ উলংঘা কৰিব নালাগে।

**ভাৰতবৰ্যত দুৰ্যোগ ব্যৱস্থাপনা**
**(Disaster Management Initiative In India)**

ভাৰতবৰ্ষই ইয়াৰ বিশাল উপমহাদেশীয় আকাৰ, ভৌগোলিক অৱস্থান, জনবিস্ফোৰণ আৰু মৌচুমী বায়ুৰ অস্বাভাৱিক আচৰণৰ বাবে প্ৰতি বছৰে নানানটা প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰে। ভাৰতবৰ্ষৰ কমেও সাতাইশখন ৰাজ্য বানপানী, খৰাং বতৰ, ঘূৰ্ণী বতাহ, অতিবৃষ্টি, ভূমিস্খলন, ভূমিকম্প আদিৰ দৰে ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰে। এনেবোৰ প্ৰাকৃতিক দুৰ্যোগে সমগ্ৰ ভাৰতবৰ্ষৰ মুঠ ভৌগোলিক আয়তনৰ ৮৫% অঞ্চলত প্ৰভাৱ পেলায়। ভাৰতবৰ্ষৰ ৬০% অঞ্চল ভূমিকম্প, ৬৮% ভাগ অঞ্চল খৰাং বা অনাবৃষ্টি, ১২% অঞ্চল বানপানী আৰু ৮% অঞ্চল ঘূৰ্ণীবতাহৰ দ্বাৰা আক্ৰান্ত হয়।



দুৰ্যোগৰ মোকাবিলা কৰিবলৈ ভাৰত চৰকাৰে ১৯৯৯ চনত জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত দুৰ্যোগ ব্যৱস্থাপনা, পৰিকল্পনা আৰু উন্নয়নৰ বাবে এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি স্থাপন কৰে। ১৯৯৯ চনৰ ২৯ আৰু ৩০ অক্টোবৰৰ উৰিষ্যাৰ ছুপাৰ চাইক্ল'ন আৰু ২০০১ চনৰ ২৬ জানুৱাৰীত গুজৰাটত হোৱা ভয়ঙ্কৰ ভূমিকম্পই ভাৰত চৰকাৰৰ দুৰ্যোগ সজাগতা আৰু জৰুৰীকালীন সঁহাৰিৰ সামৰ্থ্যসমূহৰ দুৰ্বলতা বাৰুকৈয়ে উদঙাই দিয়ে। ভাৰত চৰকাৰে গঠন কৰা দুৰ্যোগ ব্যৱস্থাপনাৰ ৰাষ্ট্ৰীয় সমিতিয়ে উচ্চ ক্ষমতাসম্পন্ন সমিতিখনৰ ৰিপ'ৰ্টসমূহ পৰীক্ষা কৰি কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়ায়। সেইমতে দুৰ্যোগ একোটাৰ প্ৰাথমিক দায়িত্বসমূহ ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰালয়ৰ পৰা গৃহ মন্ত্ৰালয়লৈ স্থানান্তৰ কৰিবলৈ ব্যৱস্থা কৰা হয়।

২০০৪ চনৰ ২৬ ডিচেম্বৰত ভাৰত উপকূলৱৰ্তী ৰাজ্যবোৰত ভয়ংকৰ ছুনামিৰ ঢৌৱে হেজাৰ হেজাৰ লোকৰ প্ৰাণ লোৱাৰ পিছতেই ভাৰত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিলে। লগে লগে সংসদৰ দুয়োখন সদনত দুৰ্যোগ ব্যৱস্থাপনা বিল সৰ্বসন্মতভাৱে গৃহীত হয়। 'দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫' গঠন কৰি দুৰ্যোগ এটাৰ একেধাৰে আগৰ, পিছৰ অৱস্থাৰ লগতে জৰুৰীকালীন সঁহাৰিসমূহ গুৰুত্বসহকাৰে চোৱা-চিতা কৰাৰ ব্যৱস্থা কৰা হয়। ২০০৫ চনৰ দুৰ্যোগ ব্যৱস্থাপনা আইনৰ পৰিকল্পনা মতে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন অভীকৰণ (National Disaster Management Authority-NDMA), ৰাজ্যিক দুৰ্যোগ প্ৰশমন অভীকৰণ (State Disaster Management Authority- SDMA) আৰু জিলা দুৰ্যোগ প্ৰশমন অভীকৰণ (District Disaster Management Authority-DDMA) স্থাপন কৰা হয় আৰু এইবোৰত ক্ৰমান্বয়ে প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু উপায়ুক্তসকলক সভাপতিত্ব কৰাৰ কৰ্তৃত্ব দিয়া হয়।

ইতিমধ্যে দুৰ্যোগৰ সময়ত যুঁজিবলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন সঁহাৰি গোট অৰ্থাৎ (National Disaster Response Force (NDRF) নামৰ এটি উৎসৰ্গীকৃত অভীকৰণ স্থাপন কৰা হয়। ইয়াৰ সদস্যসকলক অৰ্ধসামৰিক বাহিনীৰ পৰাই লোৱা

হয়। NDRFৰ মুঠ আঠটা বেটেলিয়ান স্থাপন কৰি 'ষ্ট্ৰেটিজিক' স্থানসমূহত নিয়োজিত কৰা হয়। NDRFৰ সদস্যসকলক উপযুক্ত পদ্ধতিৰে প্ৰশিক্ষণ দি ৰাসায়নিক, জৈৱিক, তেজস্ক্ৰিয় আৰু আণৱিক জৰুৰীকালীন অৱস্থাৰ বাবে সাজু কৰি তোলা হয়। স্থানীয় প্ৰশাসনক সহায় কৰিবলৈ প্ৰাকৃতিক দুৰ্যোগৰ সময়ত নিয়োজিত কৰা হয়। ভাৰতবৰ্ষত 'The National Institute for Disaster Management' (NIDM) নামৰ এটি শীৰ্ষস্থানীয় প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হয়।

ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন সঁহাৰি গোটসমূহক নিম্নোক্ত ধৰণে তালিকাকৰণ কৰিব পাৰি।

| ক্ৰমিক নং | NDRF বেটেলিয়ান | ৰাজ্য | কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী |
|---|---|---|---|
| ১ | NDRF বেটেলিয়ান, গ্ৰেটাৰ নইডা | উত্তৰ প্ৰদেশ | ITBP |
| ২ | NDRF বেটেলিয়ান, ভাটিন্দা | পঞ্জাৱ | ITBP |
| ৩ | NDRF বেটেলিয়ান, কলকাতা | পশ্চিমবংগ | BSF |
| ৪ | NDRF বেটেলিয়ান, গুৱাহাটী (পাটগাওঁ) | অসম | BSF |
| ৫ | NDRF বেটেলিয়ান, মুনদালী | উৰিষ্যা | CISF |
| ৬ | NDRF বেটেলিয়ান, আৰাক্ক'নাম | তামিলনাডু | CISF |
| ৭ | NDRF বেটেলিয়ান, পুনে | মহাৰাষ্ট্ৰ | CRPF |
| ৮ | NDRF বেটেলিয়ান, গান্ধীনগৰ | গুজৰাট | CRPF |

### অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা অভীকৰণ ঃ

২০০৫ চনৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা আইনৰ অধীনত অসমতো এই দিশত ৰাজ্য চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ২০১০ চনত অসমত দুৰ্যোগ ব্যৱস্থাপনা নিয়মাৱলী প্ৰণয়ন কৰা হয়। সেই মৰ্মে কেন্দ্ৰীয়ভাৱে ৰাজ্যখনত দুৰ্যোগ মোকাবিলা কৰা, এই দিশত জনসাধাৰণক সচেতন কৰি তোলা আৰু দুৰ্যোগৰ পৰৱৰ্তী পৰ্যায়ত তৎপৰতাৰে কৰ্মসূচী যুগুতাই উলিয়াবলৈ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা অভীকৰণ অৰ্থাৎ Assam State Disaster Management





উদ্ধাৰ অভিযানত নিয়োজিত SDRF ৰ জোৱান

Agency (ASDMA) স্থাপন কৰা হয়। বৰ্তমান ইয়াৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ (দিচপুৰ) ৰাজ্যিক সচিবালয়ত অৱস্থিত। এগৰাকী ভাৰতীয় প্ৰশাসনীয় সেৱাৰ (IAS) সচিব পৰ্যায়ৰ বিষয়া ইয়াৰ মুখ্য কাৰ্যবাহী (Chief Executive Officer) আৰু এগৰাকী যুটিয়া সচিব পৰ্যায়ৰ বিষয়াই ইয়াত প্ৰকল্প বিষয়াৰ দায়িত্ব পালন কৰে। ইয়াৰ অধীনত কেন্দ্ৰীয় অভীকৰণৰ বাহিৰেও জিলা, ব্লক, পঞ্চায়ত পৰ্যায়ত দুৰ্যোগ প্ৰশমন ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে। ইয়াৰ মুখ্য উদ্দেশ্যসমূহ হ'ল—

(১) পৰিকল্পনা (Planning)
(২) প্ৰস্তুতি (Preparation)
(৩) কাৰ্যকৰণ (Operation)
(৪) সমন্বয় (Co-ordination)
(৫) ৰাইজৰ সহযোগ (Community Participation)।

### অসম ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী বেটেলিয়ন (SDRF) ঃ

অসমত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে সাৰ্থক কৰ্মসূচী (effective mechanism) তৈয়াৰ কৰিবলৈ অসম চৰকাৰে 'ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী বেটেলিয়ন'

(State Disaster Response Force-SDRF) গঠন কৰি তাত ২০১০ বৰ্ষৰ পৰাই কৰ্মচাৰী নিয়োগ কৰিছে। অসম চৰকাৰৰ বাহিনীটো ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ সমান্তৰালকৈ গঠন কৰি ইয়াৰ মুখ্য কাৰ্যালয় উত্তৰ গুৱাহাটীৰ সমীপৰ চিলাত স্থাপন কৰা হয়। অসমৰ ৰাজ্যিক অগ্নি নিৰ্বাপক বাহিনীৰ সঞ্চালকৰ অধীনত ই নিয়ন্ত্ৰিত হয়। এনেদৰে ৰাজ্যিক অগ্নি নিৰ্বাপক বাহিনীৰ লগতে দুৰ্যোগৰ সময়ত অনুসন্ধান আৰু উদ্ধাৰ অভিযানত সহায় কৰিবলৈ এই বাহিনীক ব্যৱহাৰ কৰা হৈছে। প্ৰাকৃতিক দুৰ্যোগৰ বাহিৰেও পানীত পৰা, অগ্নিকাণ্ড আৰু অন্যান্য বিপদৰ সময়ত এই বাহিনীয়ে ৰাইজক বিশেষভাৱে সহায় কৰি আহিছে।

চীনদেশীয় এক প্ৰবাদ আছে যে—

> "যদি এবছৰৰ বাবে পৰিকল্পনা কৰা, তেন্তে ধান ৰোৱা;
> যদি দহবছৰৰ বাবে পৰিকল্পনা কৰা, তেন্তে গছ ৰোৱা;
> যদি এশবছৰৰ বাবে পৰিকল্পনা কৰা, তেন্তে মানুহক শিক্ষিত কৰা।"

প্ৰাকৃতিক দুৰ্যোগৰ দৰে ভয়াবহ সমস্যা প্ৰশমন আৰু ইয়াৰ পৰা সকাহ পাবৰ বাবে সেয়েহে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ লগতে জনসাধাৰণক সচেতন কৰি তোলা প্ৰয়োজন। এই ক্ষেত্ৰত প্ৰশাসন আৰু জনসাধাৰণে একগোট হৈ কাম কৰিলে বিশেষ সুফল পোৱা যাব।

## প্ৰশ্নাৱলী

১। দুটা প্ৰাকৃতিক দুৰ্যোগ আৰু দুটা মানৱসৃষ্ট দুৰ্যোগৰ নাম লিখা।

২। অসম বিভিন্ন দুৰ্যোগৰ দ্বাৰা আক্ৰান্ত হোৱাৰ কাৰণ কি কি বুলি তুমি ভাবা।

৩। ভাৰতবৰ্ষ বিভিন্ন কৃত্ৰিম দুৰ্যোগৰ দ্বাৰা আক্ৰান্ত হোৱাৰ তিনিটা কাৰণ লিখা।



৪। মানৱসৃষ্ট দুৰ্যোগসমূহ কিদৰে উপশম কৰিব পাৰি? তোমাৰ নিজস্ব চিন্তাৰে তিনিটা উপায় লিখা।

৫। দুৰ্যোগৰ আগত আৰু পিছত ল'ব পৰা কেইটিমান ব্যৱস্থা উল্লেখ কৰা।

৬। বিগত দুটা দশক ধৰি দুৰ্যোগ বৃদ্ধি হোৱাৰ প্ৰধান আৰু প্ৰকৃত কাৰণ কি কি?

৭। বিশ্বৰ ভিতৰত আটাইতকৈ ডাঙৰ ভূমিকম্প দুটা কোন চনত আৰু ক'ত সংঘটিত হৈছিল?

৮। অসমত বৰ্তমান সঘনাই বানপানী হোৱাৰ মূল কাৰণ কি?

৯। ভূমিকম্পৰ সৈতে জড়িত সম্ভাব্য সমস্যা পাঁচটা লিখা।

১০। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগটোৰ কাৰ্য আৰু উদ্দেশ্য কি?

১১। ২০০৮ চনত হোৱা 'গুৱাহাটী ছিৰিয়েল ব্লাষ্টটো' কোন শ্ৰেণীৰ দুৰ্যোগ?

১২। ভাৰতবৰ্ষৰ খনি দুৰ্ঘটনাৰ বিষয়ে এটি টোকা লিখা।

১৩। দুৰ্যোগ ব্যৱস্থাপনাৰ স্তৰ কেইটা আৰু কি কি? এই স্তৰবোৰত কি কি ব্যৱস্থা ল'ব পৰা যায়?

১৪। দুৰ্যোগ ব্যৱস্থাপনাত এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীৰূপে তোমাৰ কৰণীয় পাঁচটা পদক্ষেপৰ বিষয়ে লিখা।

১৫। দুৰ্যোগৰ সময়ত কি কি কৰিব নালাগে?

১৬। ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন সঁহাৰি গোট (NDRF)ৰ বিষয়ে চমুকৈ লিখা।

১৭। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা অভীকৰণ বুলিলে কি বুজা?

১৮। অসমৰ ৰাজধানী চহৰ গুৱাহাটী এতিয়া ভূমিস্খলনত বাৰুকৈয়ে জৰ্জৰিত। ইয়াৰ কাৰণ কি কি বুলি ভাবা? এই ভূমিস্খলন ৰুধিবলৈ তোমাৰ যুক্তিৰে কেইটামান ব্যৱস্থা উল্লেখ কৰা।